# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI

0000000000

**Date : 02-01-2026**
**Time : 21-25 Hrs.**

### ASSAMESE NIGHT BULLETIN

:::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১৭ আৰু ১৮ জানুৱাৰীত দুদিনীয়া কাৰ্যসূচীৰে পুনৰ অসমলৈ আহিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে ১৭ জানুৱাৰীৰ দিনা সৰুসজাই ষ্টেডিয়ামত বাগৰুম্বা নৃত্যৰে বিশ্ব অভিলেখ গঢ়াৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিব আৰু ১৮ জানুৱাৰীত কলিয়াবৰৰ মৌচন্দা পথাৰত এখন জনসভা সম্বোধন কৰিব। এই সভাৰ পৰাই প্ৰধানমন্ত্ৰী মোদীয়ে ৭ হাজাৰ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া কাজিৰঙাৰ এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰিব। আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই সৰুসজাই ষ্টেডিয়াম পৰিদৰ্শন কৰি প্ৰধানমন্ত্ৰী উপস্থিত থাকিবলগীয়া অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ লয়। বাগৰুম্বাৰ নৃত্যত ২৩ খন জিলাৰ ১০ হাজাৰৰো অধিক শিল্পীয়ে অংশগ্ৰহণ কৰিব। ইফালে, প্ৰধানমন্ত্ৰীৰ আগমনৰ প্ৰস্তুতি সন্দৰ্ভত কলিয়াবৰৰ  কুঁৱৰীটোলত থকা অসম গণ পৰিষদৰ কাৰ্যালয়ত অগপ আৰু বিজেপি নেতা কৰ্মীসকলৰ এখন যুটীয়া বৈঠক অনুষ্ঠিত হয়। বৈঠকত কেবিনেট মন্ত্ৰী পিয়ুষ হাজৰিকা, অতুল বৰা, কেশৱ মহন্তকে ধৰি স্থানীয় বিধায়ক আৰু সাংসদসকলে অংশগ্ৰহণ কৰে।

০০০০

ৰাজ্যৰ স্বীকৃতিপ্ৰাপ্ত সত্ৰৰ ৬২০ গৰাকী উদাসীন ভকতলৈ বিত্তীয় সাহায্য প্ৰদান আঁচনিৰ আজি শুভাৰম্ভ কৰা হয়। এই আঁচনিৰ অধীনত তেওঁলোকক মাহিলী এহেজাৰ ৫০০ টকাকৈ আৰ্থিক অনুদান প্ৰদান কৰা হ'ব। দিছপুৰৰ লোকসেৱা ভৱনত আয়োজিত অনুষ্ঠানত আঁচনি মুকলি কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়, যে ৰাজ্যৰ সত্ৰৰ ভকতসকলৰ আধ্যাত্মিক, সাংস্কৃতিক আৰু সামাজিক অৱদানৰ স্বীকৃতিস্বৰূপে এই আঁচনিখন প্ৰৱৰ্তন কৰা হৈছে।

মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে সত্ৰৰ ভূমি সংৰক্ষণৰ বাবে সত্ৰ আয়োগ গঠনৰ পৰা আৰম্ভ কৰি ভকতলৈ আৰ্থিক সাহায্য প্ৰদানৰ জৰিয়তে সত্ৰ সংস্কৃতিক সুৰক্ষাৰ বাবে চৰকাৰে বিভিন্ন পদক্ষেপ লৈছে। বিগত বিধানসভাতে চৰকাৰে সত্ৰ আয়োগ গঠনৰ সিদ্ধান্ত লৈছে। সত্ৰ আয়োগৰ হাতত বিত্তীয় ক্ষমতা তথা প্ৰয়োজনত সত্ৰলৈ আৰ্থিক অনুদান আগবঢ়োৱাৰ ক্ষমতা থাকিব। সত্ৰ আয়োগে ৰাজহ আদালতৰ দৰে কাম কৰি যাব। সত্ৰৰ মাটি দখল হলে আয়োগক অভিযোগ দিব পাৰিব আৰু সত্ৰ আয়োগে বেদখল মাটিৰ উচ্ছেদৰ অনুমতি দিব। লগতে মুখ্যমন্ত্ৰীগৰাকীয়ে গুৰুজনা প্ৰদত্ত এই সংস্কৃতি ৰক্ষাৰ বাবে নিজৰ জীৱন সমৰ্পণ কৰা ভকতসকলে আধ্যাত্মিক, সাংস্কৃতিক আৰু সামাজিক প্ৰতিটো ক্ষেত্ৰতে অৰিহণা যোগাইছে বুলি উল্লেখ কৰে। অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰা উপস্থিত থাকে।

০০০০

জুবিন গাৰ্গৰ খাৰঘুলিৰ বাসগৃহতে প্ৰয়াত শিল্পীগৰাকীৰ নামত এটা ন্যাস গঠন কৰা হ'ব বুলি এখন সংবাদমেল যোগে পত্নী গৰিমা শইকীয়া গাৰ্গে প্ৰকাশ কৰিছে। গৰিমা শইকীয়া গাৰ্গ আৰু জুবিন গাৰ্গৰ ভগ্নী পামী বৰঠাকুৰে সম্বোধন কৰা সংবাদমেলখনত তেওঁলোকে কয় যে জুবিন গাৰ্গ ন্যাসে সামাজিক আৰু সাংস্কৃতিক দিশত কাম কৰি যাব। ন্যাসটো জুবিন গাৰ্গৰ খুৰাক মনোজ বৰঠাকুৰ, জ্যেষ্ঠ আৰক্ষী বিষয়া পাৰ্থ সাৰথি মহন্ত আৰু জ্যেষ্ঠ সাংবাদিক গৌতম শৰ্মাই পৰিচালনা কৰিব। জুবিন গাৰ্গ ন্যাসৰ অধীনত ৩ টা শাখা থাকিব বুলিও তেওঁলোকে প্ৰকাশ কৰে। ন্যাসৰ অধীনত থকা শাখাকেইটা হ'ল কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেছন, অভিনয়া আৰু জুবিন গাৰ্গৰ সন্দৰ্ভত চলি থকা বিভিন্ন গৱেষণা। একেখন সংবাদমেলতে গৰিমা গাৰ্গে ৰৈ ৰৈ বিনালে বোলছবিৰ ৰাজ্য চৰকাৰৰ জি এছ টি ধন ঘুৰাই দিয়া সিদ্ধান্তৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জনায়। জুবিন  গাৰ্গ ন্যাসৰ বাবে গৰিমা শইকীয়া গাৰ্গ আৰু পামী বৰঠাকুৰে সকলোৰে সহায়-সহযোগিতা কামনা কৰে।

বাইট ঃ গৰিমা গাৰ্গ

০০০০

হোজাই জিলাৰ ডবকাৰ যমুনা-মৌদংগা সংৰক্ষিত বনাঞ্চলৰ প্ৰায় ছহেজাৰ বিঘা ভূমিত প্ৰশাসনৰ উচ্ছেদ অভিযান চলায়। এই অভিযানৰ জৰিয়তে অঞ্চলটোত ৩০-৪০ বছৰ ধৰি অবৈধভাৱে বাস কৰি থকা এহেজাৰ ২৫০ টা পৰিয়ালৰ ভিতৰত এহেজাৰ ৯৮টা পৰিয়ালক উচ্ছেদ কৰা হৈছে। বন বিভাগে বনাঞ্চলখনত জৰীপ চলাই কেইবাহাজাৰ বিঘা ভূমি অবৈধ দখলকাৰীৰ কবলত থকাৰ তথ্য লাভ কৰাৰ পাছত এহেজাৰ ২০০ৰো অধিক দখলকাৰীলৈ জাননী প্ৰেৰণ কৰিছিল। ইয়াৰে ১৫০ টা পৰিয়ালে সকাহ বিচাৰি উচ্চ ন্যায়ালয়ৰ কাষ চপাত সাময়িকভাৱে এই পৰিয়ালকেইটাৰ ভূমি উচ্ছেদ স্থগিত ৰখা হৈছে। উচ্ছেদ অভিযানত ৫৩ খন বুলডজাৰ ব্যৱহাৰ কৰা হৈছে। উচ্ছেদথলীত যাতে কোনোধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয়, তাৰ বাবে কেইবাশ আৰক্ষী আৰু চি আৰ পি এফৰ জোৱান মোতায়েন কৰা হয়। উচ্ছেদকালত জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকৰ উপৰি কেইবাগৰাকী শীৰ্ষ বিষয়াই পৰিস্থিতি পৰ্যবেক্ষণ কৰে।

০০০০

সমাগত বিধানসভা নিৰ্বাচনত শিৱসাগৰ সমষ্টিত অসম গণ পৰিষদে নিজস্ব প্ৰাৰ্থী থিয় কৰাব বুলি ঘোষণা কৰিছে। ইতিমধ্যে বিলুপ্ত হোৱা আমগুৰি সমষ্টিৰ বিধায়ক প্ৰদীপ হাজৰিকাক প্ৰাৰ্থী হিচাপে থিয় কৰাবলৈ তৃণমূল কৰ্মীয়ে জনোৱা দাবীৰ ভিত্তিত দলটোৱে এই সিদ্ধান্ত গ্ৰহণ কৰে। আজি অগপৰ শিৱসাগৰ জিলা সমিতি আৰু বিধানসভা সমষ্টি সমিতিয়ে আয়োজন কৰা এখন যৌথ সংবাদমেলত এই সিদ্ধান্তৰ কথা অৱগত কৰে। দলটোৰ ৰাজ্যিক সভাপতি অতুল বৰাৰ নিৰ্দেশনামৰ্মে এই ঘোষণা কৰা হৈছে বুলি এই সংবাদমেলখনত প্ৰকাশ কৰা হয়।

০০০০

**ঃঃ সমাপ্ত ঃঃ**